# অড্ৰি লৰ্ডৰ কবিতা

## অনুবাদ: শোণিত বৰঠাকুৰ

Issue: Vol. IV, No. 1, May-July, 2025

**অড্ৰি লৰ্ড** (Audre Lorde—জ. ১৮ ফেব্ৰুৱাৰী, ১৯৩৪–মৃ. ১৭ নৱেম্বৰ, ১৯৯২ ) এগৰাকী আমেৰিকান কবি, লেখক, নাগৰিক অধিকাৰ কৰ্মী আৰু আন্তঃছেদিক নাৰীবাদী, যি নিজকে “কৃষ্ণাংগ, সমকামী, নাৰীবাদী, সমাজবাদী, মাতৃ, যোদ্ধা, কবি” বুলি পৰিচয় দিবলৈ পছন্দ কৰে। নাগৰিক আৰু সামাজিক জীৱনৰ বিভিন্ন বিসংগতি আৰু অন্যায়ৰ বিৰুদ্ধে তেওঁৰ কবিতা সোচ্চাৰ। নিউ য়ৰ্ক চিটীত বাস কৰা এটা কেৰেবিয়ান অভিবাসী পৰিয়ালত জন্ম লাভ কৰা লৰ্ডৰ কবিতা আৱেগিক প্ৰকাশভংগীৰ বাবে বিখ্যাত।

### বিচ্ছেদ

হৈছে যে নক্ষত্ৰবোৰো হ্ৰাস
আৰু নকৰে যে পুৰস্কাৰ মোক প্ৰদান
বিজয়ৰ মুহূৰ্ততো।
হয় যে সম্ভৱপৰ এয়া
আত্মৰক্ষাৰ্থে কোনো লোকক
গুলীবিদ্ধ কৰিবলৈ
আৰু তথাপি যে হয় দৰ্শন
কিদৰে তেওঁৰ ৰক্তৰে
ৰঞ্জিত হয় স্নিগ্ধ তুষাৰ।

*(মূল: ‘Separation’)*

### কিন্তু তুমি মোৰ জীয়ৰীক কিনো শিকাব পাৰিবা

আপোনাৰ কথাৰ অৰ্থ কি
নহয় নহয় নহয় যে নহয়
আপোনাৰ এই কথা জনাৰ
নাই যে অধিকাৰ
কিয়নো প্ৰায়েই
আমি পৰস্পৰে পৰস্পৰক
আশ্ৰয়ৰূপে কৰিছিলোঁ নিৰ্মাণ
শীতৰ পৰা ৰক্ষাৰ্থে
তুমি জানো নাজানা
কিয় হ'ব পৰা আহত তুমি
ক'লে তেওঁ নিজৰ সংখ্যা
আৰু কৰিছিল ইয়ে তেওঁকো আহত
ৰাখিছিল তেওঁৰ বক্তব্য স্বাধীনতাৰ বিষয়ে
জানে তেওঁ কি হয় মুক্তি
সেই যন্ত্ৰণাৰ মাধ্যমেৰে
অৱগত যে হয় তেওঁ
তুমি কিনো জানা

কিদৰে পোৱা যায় আঘাত
কিন্তু নাজানা যে তুমি
কিদৰে ঘটে হত্যা।

*(মূল: 'But What can You Teach My Daughter')*

**সমাজ পৰিৱৰ্তনৰ অন্য এক নাম বিপ্লৱ**

যেতিয়া এই লোকজন থাকে ব্যস্ত হৈ
এক কৃষ্ণাঙ্গৰ নিৰ্মাণত
কি বৰ্ণৰ হোৱা তুমি
এই কথাৰ নাই অকণো গুৰুত্ব।

যদিহে ঘটে তেওঁৰ অভাৱ
তেনে কোনো এক ৰঙৰ
কৰে তেওঁ সদায়েই পৰিৱৰ্তন
আকাৰৰ
আৰু যেতিয়া কৰে তেওঁ
নিৰ্মাণ সম্পূৰ্ণ কোনো বৃহৎ জনৰ
সলনি কৰে তেওঁ মাথোঁ
তাৰ লিঙ্গ
তাৰ পিছতেই
ঘটে যে সকলোৰে পুনৰাম্ভ।

*(মূল: 'Revolution is One Form of Social Change')*

**চন্দ্ৰগ্ৰহণ**
*১৬ আগষ্ট, ১৯৮৯*

দেখিছিলোঁ মই যোৱা ৰাতি চন্দ্ৰৰ পৰিভ্ৰমণ
হ'ল যি ঘোৰতম অন্ধকাৰৰ চিত্ৰাভ আভাৰে উদ্ভাসিত
নাছিল মোৰো বিশ্বাস সংঘটিত ঘটনাৰ প্ৰতি
যদিওবা দেখিছিলোঁ মই পৰিৱৰ্তন পোহৰৰ।

প্ৰথমবাৰ তোমাক লগ পোৱাৰ সময়ত
আমি ওৰে নিশা পাঠ কৰিছিলোঁ
ইজনে সিজনৰ কবিতা
পুৱতি আশাই ক'ল ষ্ট্ৰীটলৈ আমাক অনুসৰণ কৰিছিল
নিধৰুৱা দল এটাই মৰা অনৰ্থক কথাৰ মহলা।

আছে যে আপুনিও আমাৰ শ্ৰেষ্ঠ সময়ৰ মাজতেই বিস্তৃত
এডাল জীৱন্ত তাঁৰৰ দৰে
স্বৰ্গ আৰু নৰকৰ মাজত
যুদ্ধত ভগ্নী হ'বলৈ
নহয় যে সৰ্বদা সহজসাধ্য
কিন্তু নহয় ই নিস্তেজ কেতিয়াও।

মোৰ জীৱনৰপৰা

তুমি গুচি যোৱা বুলি
মোৰ বিশ্বাস নহয়
গতিকে তুমি নহয়।

*(মূল: 'Lunar Eclipse')*